অসম

'কংগ্রেছৰ চৰিত্র দুমুখীয়া, কংগ্রেছৰ দিনত SIR হ'লে কংগ্রেছে তাক ন্যায্যতা দিয়ে। আৰু বিজেপিয়ে SIR আনিলে বিৰোধ কৰে

ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ কংগ্রেছৰ স্থিতিক দুমুখীয়া বুলি সমালোচনা কৰিছে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৩০



Congress backed SIR earlier, opposes it now (SOCIAL MEDIA)

১৫ নৱেম্বৰ: ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্রক্রিয়া অর্থাৎ এছআইআৰক লৈ কংগ্রেছৰ বিৰোধিতাৰ সমালোচনা কৰিছে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। কংগ্রেছৰ চৰিত্র দুমুখীয়া বুলি তেওঁ মন্তব্য কৰে।

দিলীপ শইকীয়াই কয়, কংগ্রেছৰ শাসনকালত এছআইআৰ হ'লে দলটোৱে তাক ন্যায্যতা দিয়ে। কিন্তু বিজেপিয়ে একে প্রক্রিয়া আৰম্ভ কৰিলে কংগ্রেছে বিৰোধিতা কৰে।

> "কংগ্রেছৰ দিনত এছআইআৰ হ'লে কংগ্রেছে তাক ন্যায্যতা দিয়ে। আৰু বিজেপিয়ে এছআইআৰ আনিলে বিৰোধ কৰে। কংগ্রেছৰ এইটো দুমুখীয়া চৰিত্র, কংগ্রেছৰ দিনতো এছআইআৰ হৈছে।"

এনআৰচিৰ প্ৰসংগও উত্থাপন কৰি বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে কংগ্ৰেছক এছআইআৰো নালাগে, এনআৰচিও নালাগে। কংগ্ৰেছে কৰিলে ভাল বুলি কয়, কিন্তু বিজেপিয়ে কৰিলে বিৰোধিতা কৰে বুলিও তেওঁ অভিযোগ কৰে।

দিলীপ শইকীয়াই কয় যে দেশত এতিয়ালৈকে ১২ বাৰ SIR হৈছে আৰু ইয়াৰে ১০ বাৰেই কংগ্ৰেছৰ শাসনকালত হৈছিল। এতিয়া বিজেপিয়ে SIR বিচৰাৰ বাবে কংগ্ৰেছে ইয়াৰ বিৰোধিতা কৰি দুমুখীয়া চৰিত্ৰ দেখুৱাইছে বুলি তেওঁ অভিযোগ কৰে।

এছআইআৰ প্ৰক্ৰিয়াক লৈ বিজেপি আৰু কংগ্ৰেছৰ মাজত চলি থকা ৰাজনৈতিক মতবিৰোধৰ মাজতে শইকীয়াৰ এই মন্তব্যই বিষয়টোক পুনৰ চৰ্চালৈ আনিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3323/dilip-saikia-congress-sir-nrc